# নিবিদা জাননী

## খাগৰিজান আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয়, শেনচোৱা, নগাঁও

## বজাৰ/ঘাট/মীনমহলৰ বন্দোবস্তিৰ নিবিদা

নং- কে.এ.পি. ১/২০২৩-২৪/ তাৰিখ- ০১/০৬/২০২৪

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক জনোৱা হয় যে, খাগৰিজান আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত নিম্নোক্ত বজাৰ/ঘাট/মীনমহলবোৰ ১৯৯৪ চনৰ অসম পঞ্চায়ত আইনমতে ২০২৪-২৫ বৰ্ষৰ বিত্তীয় বৰ্ষৰ বাবে অৰ্থাৎ ইং- ০১/০৭/২০২৪ তাৰিখৰ পৰা ৩০/০৬/২০২৫ তাৰিখলৈ এবছৰৰ বাবে নিবিদাযোগে বন্দোবস্তি দিয়া হ'ব। বজাৰ/ঘাট/মীনমহল বন্দোবস্তি পাবলৈ ইচ্ছুক প্ৰাৰ্থীৰ পৰা ৮.২৫ টকা (আঠ টকা পঁচিশ পইচা) ন্যায়ালয়ৰ শুল্ক লগোৱা লাৰ মোহৰযুক্ত খামত নিবিদা আহ্বান কৰা হ'ল।

নিবিদাসমূহ অহা ইং- ২১/০৬/২০২৪ তাৰিখে দিনৰ ২ বজালৈকে আঞ্চলিক পঞ্চায়ত কাৰ্য্যালয়ত গ্ৰহণ কৰা হ'ব আৰু সেইদিনাই নিবিদাকাৰী/নিবিদাকাৰীৰ প্ৰতিনিধিৰ সাক্ষাতত ৩ বজাত খোলা হ'ব যদিহে অন্য কোনো অসুবিধা নাথাকে।

| ক্ৰমিক নং | বজাৰ/বিলৰ নাম | গাঁও পঞ্চায়তৰ নাম | চৰকাৰী নিৰিখ | আমানত ধন |
|---|---|---|---|---|
| ১ | আজাৰগুৰি বিল | কাছমাৰী গাঁও পঞ্চায়ত | ৫০০০০.০০ টকা | ৫০০০.০০ টকা |
| ২ | ৰৌমাৰী বিল | লাঁওগাঁও গাঁও পঞ্চায়ত | ১২১৯৯৯.০০ টকা | ১২২০০.০০ টকা |
| ৩ | ম'হ হাবী বিল | কেন্দুগুৰি গাঁও পঞ্চায়ত | ৬৭১০০.০০ টকা | ৬৭১০.০০ টকা |
| ৪ | গৰুচৰোৱা বিল (গৰুখোলা) | লাঁওগাঁও গাঁও পঞ্চায়ত | ৩১২০০.০০ টকা | ৩১২০.০০ টকা |
| ৫ | দোৱামাৰি বিল | বৰভেটি গাঁও পঞ্চায়ত | ১২২০০.০০ টকা | ১২২০.০০ টকা |
| ৬ | বেলতলি দৈনিক বজাৰ | লাঁওগাঁও গাঁও পঞ্চায়ত | ৯৭৭০১.০০ টকা | ৯৭৭০.০০ টকা |
| ৭ | কাটিমাৰী গ্ৰাণ্ট বিল | হুজ ৰঙাগড়া গাঁও পঞ্চায়ত | ৫০০০০.০০ টকা | ৫০০০.০০ টকা |

বজাৰ/ঘাট/মীনমহল আদিৰ নিবিদাৰ চৰ্তাৱলী ঃ

### প্ৰথম খণ্ড

১। বজাৰ/ঘাট/মীনমহল/পাউণ্ড বন্দোবস্তিৰ বাবদ পূৰ্ব্বতে টকা দিবলৈ বাকী থকা লোক আৰু তেওঁৰ পৰিয়ালৰ সদস্যই নিবিদা দাখিল কৰিব নোৱাৰিব। বৰ্তমান বজাৰ/ঘাট/মীনমহল/পাউণ্ড চলাই থকা মহলদাৰেও নিবিদা দাখিল কৰিবৰ বাবে চলিত বছৰৰ বাকী থকা সকলো কিস্তি আদায় দিব লাগিব।

২। নিৰ্দিষ্ট ব্যক্তি বিশেষৰ পৰিবৰ্তে কোনো শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠান, সংস্থা, সমিতি বা তেনেধৰণৰ অনুষ্ঠান আদিৰ নামত নিবিদা দাখিল কৰিব নোৱাৰিব আৰু এনে নিবিদা পোনপটীয়াকৈ নাকচ কৰা হ'ব।

৩। আঞ্চলিক পঞ্চায়তৰ ৩০০.০০ টকা জমা দি নিবিদা ফৰ্ম আৰু আনুষংগিক নথি-পত্ৰ ল'ব লাগিব।

৪। প্ৰতি বজাৰ/ঘাট/মীনমহলৰ বাবে পৃথকে পৃথকে নিবিদা দাখিল কৰিব লাগিব।

৫। আঞ্চলিক পঞ্চায়তে যোগান ধৰা মূল নিবিদাৰ ফৰ্মতহে নিবিদা দাখিল কৰিব লাগিব। কোনো ক্ষেত্ৰতে নিবিদা ফৰ্মৰ ফটোষ্টেট কপিৰ নিবিদা গ্ৰহণ কৰা নহ'ব। কোনো নিবিদাকাৰীয়ে ফটোষ্টেত কপিত নিবিদা দাখিল কৰিলে আঞ্চলিক পঞ্চায়তৰ নামত ৩০০.০০ টকা জমা দিয়াৰ ৰচিদ নিবিদাৰ লগত দাখিল কৰিব লাগিব।

৬। প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ ফৰ্মত নিজৰ সম্পূৰ্ণ নাম, ঠিকনা ও আৰক্ষী থানা উল্লেখ কৰিব লাগিব। নিবিদাকাৰী উক্ত জিলাৰ বাসিন্দ হ'ব লাগিব।

৭। প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত প্ৰয়োজনীয় কোৰ্টফি আৰু আমানতৰ ধন জমা দিয়াটো বাধ্যতামূলক। নিবিদা দাখিল কৰাৰ পাছত কোনো নিবিদাকাৰীয়ে নিবিদা উঠাই ল'ব নোৱাৰিব। তেনে কৰিলে অথবা কোনো বন্দোবস্তি প্ৰাপ্ত নিবিদাকাৰীয়ে বন্দোবস্তি গ্ৰহণ নকৰিলে তেওঁলোকৰ আমানতৰ ধন বাজেয়াপ্ত কৰা হ'ব।

৮। নিবিদা দাখিলৰ ও খোলাৰ দিনা চৰকাৰী বন্ধৰ দিন ঘোষণা কৰিলে পৰবৰ্তী কাৰ্য্যালয় খোলাৰ দিনত নিবিদা গ্ৰহণ কৰা হ'ব।

৯। কোনো বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ নিবিদাৰ মূল্য উপযুক্ত বিবেচিত নহ'লে পুনৰ নিবিদা আহ্বান কৰা হ'ব।

১০। সকলো বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ ক্ষেত্ৰত সৰ্বোচ্চ নিবিদাকাৰীৰ নিবিদা বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব। যদি কোনো সৰ্বোচ্চ নিবিদাকাৰীয়ে নিবিদাৰ লগত প্ৰয়োজনীয় নথিপত্ৰ (কোৰ্টফি আৰু আমানতৰ ধন বাদ দি) দাখিল কৰা নাছিল, তেনে ক্ষেত্ৰত এই নিবিদাকাৰীক সেই নথিপত্ৰসমূহ জমা দিবলৈ সৰ্বোচ্চ ৩ (তিনি) দিনৰ সময় দিয়া হ'ব। যদি সেই নিবিদাকাৰীয়ে, নথিপত্ৰসমূহ সৰ্বোচ্চ ৩ (তিনি) দিনৰ ভিতৰত দাখিল কৰিব নোৱাৰে, তেনেক্ষেত্ৰত তেওঁৰ নিবিদা নাকচ কৰা হ'ব আৰু লগতে আমানতৰ ধন ও বাজেয়াপ্ত কৰা হ'ব আৰু পৰৱৰ্তী উচ্চ নিবিদাকাৰীক উপৰোক্ত চৰ্ত সাপেক্ষে বন্দোবস্তিৰ সুবিধা প্ৰদান কৰা হ'ব।

## দ্বিতীয় খণ্ড

১১। (ক) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত ১,০০,০০০/- (এক লাখ) টকাৰ ওপৰত বজাৰ /ঘাট/মীনমহল/ পাউণ্ড তালিকাত উল্লেখ কৰা মতে নিৰ্দিষ্ট বজাৰ/ঘাট/মীনমহল/পাউণ্ডখনৰ চৰকাৰী নিৰিখৰ ১০ % (দহ শতাংশ) আমানতৰ ধন হিচাপে জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াৰ আধিত (Pledge) কৰি অসম কো-অপাৰেটিভ এপেক্স বেংক, অসম গ্ৰামীণ বিকাশ বেংক অথবা যি কোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ নূন্যতম এবছৰৰ (Fixed Deposit) নিবিদাৰ লগত গাঁঠি দিব লাগিব। অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ লোকে ৫০% (পঞ্চাশ শতাংশ) আমানতৰ ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঠি দিব লাগিব।

(খ) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত ১,০০,০০০/- (এক লাখ) টকাৰ তলৰ বজাৰ /ঘাট/মীনমহল/ পাউণ্ড তালিকাত উল্লেখ কৰামতে নিৰ্দিষ্ট বজাৰ/ঘাট/মীনমহল/পাউণ্ডখনৰ চৰকাৰী নিৰিখৰ ১০ % (দহ শতাংশ) আমানতৰ ধন হিচাপে আঞ্চলিক পঞ্চায়তৰ পদেন সচিব তথা কাৰ্যবাহী বিষয়াক আধিত (Pledge) কৰি অসম কো-অপাৰেটিভ এপেক্স বেংক, অসম গ্ৰামীণ বিকাশ বেংক অথবা যি কোনো



Scanned with CamScanner

১১। ৰাষ্ট্ৰীয়কৃত বেংকৰ নূন্যতম এবছৰৰ (Fixed Deposit) নিবিদাৰ লগত গাঠি দিব লাগিব। অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ লোকে ৫০% (পঞ্চাশ শতাংশ) আমানতৰ ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঠি দিব লাগিব।

১২। নিবিদাকাৰীয়ে নিবিদাৰ লগত ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা প্ৰত্যায়িত পাচপৰ্ট আকাৰৰ ফটো গাঁঠি দিব লাগিব।

১৩। নিবিদাকাৰী আৰু জমিনদাৰে সংশ্লিষ্ট জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ পৰা কৰমুক্ত পূৰ্বৰ বাকীদাৰ (Defaulter) নোহোৱাৰ প্ৰমাণ-পত্ৰ লৈ নিবিদাৰ লগত গাঠি দিব লাগিব।

১৪। নিবিদাকাৰী অথবা জমিনদাৰে নিবিদামূল্যৰ ওপৰত মাটি জামিন হিচাবে দিব লাগিব। জামিন দিয়া মাটিৰ চলিত বৰ্ষৰ (ক) জমাবন্দি (খ) উক্ত মাটি সকলো দিশৰপৰা দায়মুক্ত প্ৰমাণ-পত্ৰ আৰু মাটিৰ মূল্যৰ প্ৰমাণ-পত্ৰ সংশ্লিষ্ট উপায়ুক্ত/মহকুমাধিপতি/ৰাজহচক্ৰ বিষয়াৰ পৰা লৈ নিবিদাৰ লগত গাঠি দিব লাগিব। নিবিদাত জামিনদাৰেও চহী কৰিব লাগিব। মাটিৰ তথ্য পাতিৰ পৰিৱৰ্তে নিবিদা মূল্যৰ ওপৰত Bank Guarantee ৰ তথ্যও জামিন হিচাবে গ্ৰহণযোগ্য হ'ব। উক্ত মাটি অন্য এখন বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ বাবে জামিন হিচাপে দিব নোৱাৰিব। একেজন জামিনদাৰে/নিবিদাকাৰীয়ে অন্য এখন বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ জামিনদাৰ হ'ব নোৱাৰিব। জামিন দিব বিচৰা মাটিৰ সহপট্টাদাৰ থাকিলে তেওঁলোকৰ সন্মতি/মতামত দাখিল কৰিব লাগিব।

১৫। নিবিদাৰ লগত গাঁঠি দিয়া নথি-পত্ৰবোৰ সত্য বুলি নিবিদাকাৰী আৰু জামিনদাৰে Affidavit দাখিল কৰিব লাগিব।

১৬। বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ কিস্তিৰ ১,০০,০০০/- (এক লাখ) টকাৰ ওপৰৰ বন্দোবস্তিপ্ৰাপ্ত নিবিদাকাৰীয়ে সময়মতে জিলা পৰিষদ কাৰ্য্যালয়ত আৰু ১,০০,০০০/- (এক লাখ) টকাৰ তলৰ ক্ষেত্ৰত আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয়ত আৰু ২০ নং দফাত উল্লেখ কৰা অনুযায়ী জমা দিব লাগিব।

১৭। প্ৰথম আৰু দ্বিতীয় খণ্ডৰ ১নং দফাৰ পৰা ১৬নং দফালৈ সন্নিবিষ্ট চৰ্তাৱলী পূৰণ নহ'লে নিবিদা বাতিল কৰা হ'ব।

## তৃতীয় খণ্ড

১৮। অসম পঞ্চায়ত (বিত্তীয়) নিয়মাৱলী ২০০২ ৪৭(১১) আৰু ৪৭(১৬) বিধিমতে নিবিদাকাৰীয়ে বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ বন্দোবস্তি পোৱাৰ এসপ্তাহৰ ভিতৰত নিৰ্দ্ধাৰিত দলিল (Stamp Paper)ত চুক্তিপত্ৰ উপপঞ্জীয়কৰ কাৰ্য্যালয়ত পঞ্জীয়নভূক্ত কৰি দাখিল কৰিব লাগিব। এই ক্ষেত্ৰত দলিল (Stamp Paper) আৰু পঞ্জীয়নৰ খৰচ নিবিদাকাৰীয়ে বহন কৰিব লাগিব।

১৯। জামিনত দিয়া মাটি অথবা Bank Gurantee কোনো ব্যক্তি, অনুষ্ঠানৰ ওচৰত বিক্ৰী বা বন্ধকী দিব নোৱাৰিব। কিস্তি টকা আদায় দিব নোৱাৰিলে জামিন দিয়া মাটি আইন মতে বাজেয়াপ্ত কৰা হ'ব। লগতে বাকীজাই গোচৰ ৰুজু কৰা হ'ব।

Saikia



Scanned with CamScanner

২০। বন্দোবস্তি পোৱা নিবিদাকাৰীয়ে বন্দোবস্তি মূল্যৰ ৩০% (ত্ৰিশ শতাংশ) জামিন (Security) হিচাবে বন্দোবস্তি জাননী প্ৰেৰণৰ এসপ্তাহৰ ভিতৰত জিলা পৰিষদ/আঞ্চলিক পঞ্চায়তত জমা দিব লাগিব। বন্দোবস্তি বছৰৰ পহিলা জুলাই মাহৰ পৰা আৰম্ভ কৰি প্ৰতি মাহৰ ৭ তাৰিখৰ ভিতৰত বন্দোবস্তিৰ মাহিলী ধন জমা দিব লাগিব। একেৰাহে ২ (দুই) মাহ বন্দোবস্তিৰ ধন জমা দিব নোৱাৰিলে বন্দোবস্তি নাকচ কৰা হ'ব। জামিন (Security) জমাৰ টকা বাকী থকা মাহ বোৰৰ শেষ কিস্তিত চামিল (Adjust) কৰা হ'ব।

২১। জামিন জমা (Security Deposit) আৰু কিস্তিৰ টকা Bank Draft ৰ যোগেদিহে গ্ৰহণ কৰা হ'ব। কোনো কাৰণতে নগদ টকা গ্ৰহণ কৰা নহ'ব।

২২। ফেৰী/ঘাট বন্দোবস্তিৰ ক্ষেত্ৰত আভ্যন্তৰীণ জল পৰিবহন বিভাগে আৰোপিত কৰা নিয়ম-নীতি জিলা পৰিষদ/আঞ্চলিক পঞ্চায়তে বন্দোবস্তি দিয়া ফেৰী/ঘাটৰ ক্ষেত্ৰতো বাহাল থাকিব। মীনমহল বন্দোবস্তি পোৱা মহলদাৰে মীনমহল চলোৱাৰ ক্ষেত্ৰত প্ৰচলিত মীনবিভাগৰ নীতি মানি চলিব লাগিব।

২৩। বৈধ পঞ্জীয়ন থকা নাওঁ/ফেৰীৰে সৈতে বাধ্যতামূলক সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা নিবিদাকাৰী সকলেহে ফেৰী/ঘাটৰ নিবিদা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰিব। নিবিদাকাৰীয়ে নিবিদাৰ প্ৰ-পত্ৰৰ সৈতে উপযুক্ত আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ কৰ্তৃপক্ষই প্ৰদান কৰা নাঁও/ফেৰী খনৰ শেহতীয়া (Latest) Fitness Certificate জমা দিয়াটো বাধ্যতামূলক।

২৪। ফেৰীৰ জৰিয়তে যাতায়ত কৰা যাত্ৰীৰ সুৰক্ষাৰ্থে ফেৰী/ঘাটৰ নিবিদাকাৰীয়ে নিম্ন লিখিত চৰ্ত সমূহ মানি চলিব লাগিব -

- ক) নিবিদাকাৰীয়ে নিবিদাৰ প্ৰ-পত্ৰৰ লগতে এক Undertaking প্ৰদান কৰিব লাগিব, য'ত প্ৰতিকুল বতৰত ফেৰী ব্যৱস্থা বন্ধ থাকিব বুলি উল্লেখ থাকিব, অন্যথা তেওঁৰ নিবিদাৰ আবেদন নাকচ কৰা হ'ব। মহলদাৰে উক্ত Undertaking ৰ চৰ্ত উলংঘা কৰিলে তেওঁৰ বন্দোবস্তী নাকচ কৰা হ'ব।
- খ) বিপদকালীন পৰিস্থিতিৰ বাবে মহলদাৰে প্ৰতিজন যাত্ৰীৰ বিপৰীতে পৰ্য্যাপ্ত পৰিমাণৰ Life Jacket/ Life Raft ৰ ব্যৱস্থা নাওঁ/ফেৰীখনত থকাটো সুনিশ্চিত কৰিব লাগিব।
- গ) মহলদাৰজনে নাওঁ/ফেৰী খনৰ বহন ক্ষমতা সাপেক্ষে নাওঁ/ফেৰী খনত কঢ়িওৱা যাত্ৰীৰ সংখ্যাৰ হকে বীমাৰ সুবিধা প্ৰদান কৰাটো প্ৰয়োজনীয়।
- ঘ) মহলদাৰজনে কোনো ক্ষেত্ৰত নাওঁ/ফেৰী খনৰ বহন ক্ষমতাতকৈ অধিক যাত্ৰী বহন কৰিব নোৱাৰিব।

২৫। হাট/ঘাট/মীনমহল/পাউণ্ড বন্দবস্তি পোৱা নিবিদাকাৰীয়ে অন্য কোনো ব্যক্তি বা অনুষ্ঠানলৈ হাট/ঘাট/মীনমহল/পাউণ্ড হস্তান্তৰ (Sublet) কৰিব নোৱাৰিব।

২৬। যদি কোনো নিবিদাকাৰীয়ে উচ্চহাৰত নিবিদা দাখিল কৰি বন্দোবস্তিৰ পূৰ্বে নিবিদা উঠাই লয় তেনেহ'লে উক্ত নিবিদাকাৰীৰ আমানতৰ ধন Forfeit হ'ব আৰু তেওঁ আগন্তুক পাঁচ বছৰলৈ কোনো নিবিদা দাখিল কৰিব নোৱাৰিব।

২৭। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যি কোনো বিষয়াই হাট/ঘাট/মীনমহল/পাউণ্ডৰ বন্দোবস্তি বা পৰিচালনাৰ লগত জড়িত সকলো তথ্যপাতি, কাগজ-পত্ৰ, ৰেজিষ্টাৰ ইত্যাদিৰ পৰিদৰ্শন বা তদন্ত কৰিব পাৰিব।

Saikia



Scanned with CamScanner

২৮। নিবিদা জাননী আৰ্হিৰ তৃতীয় খণ্ডৰ ১৯ নং দফাৰ পৰা ৩২ নং দফালৈ সন্নিবিষ্ট চৰ্তাৱলী মানি নচলিলে বন্দোবস্তি বাতিল কৰা হ'ব।

২৯। প্ৰত্যেক নিবিদাকাৰীয়ে নিম্নলিখিত চৰ্ত্তসমূহ মানি চলিব লাগিব -

ক) হাটত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা নিবিদাকাৰীয়ে কৰিব লাগিব।

খ) হাটৰ ভিতৰত থকা জাবৰ বা গেলা-পঁচা বস্তু নিজৰ খৰছত নিবিদাকাৰীয়ে হাটৰ সীমাৰ পৰা কমেও ৬০০ মিটাৰ জনবসতিৰ আঁতৰত পেলাব লাগিব, যাতে ওচৰৰ বসতি কৰা লোকৰ আপত্তি নাথাকে বা অনিষ্ট নহয়।

গ) হাটত গেলা-পঁচা মাছ-মাংস বিক্ৰী কৰিলে মহলদাৰে তৎক্ষণাত বন্ধ কৰিব আৰু ওচৰত থকা জনস্বাস্থ্য বিষয়াক জনাব লাগিব। লগতে বজাৰত গেলা-পঁচা বস্তু / ৰাইজৰ স্বাস্থ্য হানি হোৱা বস্তু /সামাজিক পৰিৱেশ ক্ষতি হোৱা বস্তু বিক্ৰী কৰিব নোৱাৰিব।

ঘ) জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ অনুমোদিত খাজনাৰ (মাছুল) নিৰিখত হাট/ঘাট/মীনমহল/পাউণ্ডৰ এলেকাত প্ৰকাশ্য এখন জাননী ফলক (নোটিচ বৰ্ড)ত সহজে পঢ়িব পৰাকৈ লিখি ৰাখিব লাগিব।

ঙ) চৰকাৰী নাইবা পঞ্চায়তৰ কোনো বস্তু কিনা-বেচা হ'লে উক্ত বস্তুৰ ওপৰত কোনো খাজনা ল'ব নোৱাৰিব।

চ) হাট বজাৰৰ যি অংশত গৰু/ছাগলী/হাঁহ-কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ বেচা-কিনা হয়, সেই অংশত বজাৰৰ মহলদাৰে গৰু/ছাগলী/কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব আৰু লগতে সেই অংশৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

ছ) কোভিদ-১৯ মহামাৰীৰ পৰা সুৰক্ষাৰ অৰ্থে কেন্দ্ৰীয় তথা ৰাজ্যিক চৰকাৰৰ দ্বাৰা বিভিন্ন সময়ত জাৰি কৰা অধিসুচনা আৰু নিয়মাৱলী সমূহ মানি চলাটো নিবিদাকাৰীয়ে সুনিশ্চিত কৰিব লাগিব। সংশ্লিষ্ট মুখ্য কাৰ্যবাহী বিষয়া তথা খণ্ড উন্নয়ন বিষয়াই এই ক্ষেত্ৰত নিবিদাকাৰীক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান তথা সময়ে সময়ে হাট বজাৰ সমূহ পৰ্যবেক্ষণ কৰিব।

৩০। জিলা নাইবা আঞ্চলিক পঞ্চায়তৰ কোনো কৰ্তত্বশীল বিষয়াই হাট/ঘাট/মীনমহল/পাউণ্ড আদি পৰিদৰ্শন কৰিব আৰু সেই সময়ত মহলদাৰে নিজে নাইবা তেওঁৰ উপযুক্ত প্ৰতিনিধি উক্ত বিষয়াৰ লগত থাকিব লাগিব।

৩১। সপ্তাহিক/অৰ্ধসাপ্তাহিক হাটৰ ঠাইত দৈনিক বজাৰৰ মহলদাৰে সাপ্তাহিক/অৰ্দ্ধ সাপ্তাহিক হাট বজাৰৰ খাজনা আদায় কৰিব নোৱাৰিব।

৩২। মহলদাৰে এই খাজনা সাপ্তাহিক বজাৰৰ ১ (এক) কিলোমিটাৰ দূৰত্বলৈ তুলিব পাৰিব আৰু দৈনিক বজাৰৰ ৫০০ মিটাৰৰ দূৰত্বলৈ তুলিব পাৰিব।

৩৩। মাননীয় NGT (National Green Tribunal)ৰ ১২/১২/২০১৮ ইং তাৰিখৰ O.A. No. 606/2018 ৰ নিৰ্দ্দেশ মৰ্মে পালন কৰিবলগীয়া Solid Waste Management Rules 2016 আৰু Plastic Waste Management Rules 2016 ত অন্তৰ্ভূক্ত কৰা চৰ্তসমূহ মহলদাৰজনে বজাৰ ভিত্তিক গোটা জাবৰ আৰু

Saikia



Scanned with CamScanner

৩৩। প্লাষ্টিক জাবৰ ব্যৱস্থাপনা কমিটি (Market wise Solid Waste and Plastic Waste Management Committee) ৰ সহযোগত পালন কৰিব লাগিব।

৩৪। বন্দোবস্তিপ্ৰাপ্ত নিবিদাকাৰীক জিলা পৰিষদ / আঞ্চলিক পঞ্চায়তৰ তৰফৰ পৰা পৰিচয় পত্ৰ (Identity Card) দিয়াৰ ব্যৱস্থা কৰা হ'ব।

কাৰ্যবাহী বিষয়া
খাগৰিজান আঞ্চলিক পঞ্চায়ত
নগাঁও (অসম)

Chief Executive Officer
Nagaon Zilla Parishad
মুখ্য কাৰ্যবাহী বিষয়া
নগাঁও জিলা পৰিষদ তথা
সভাপতি, খাগৰিজান আঞ্চলিক পঞ্চায়ত

স্মাৰক নং ঃ কে.এ.পি.১/২০২৩-২৪/৬৬

তাৰিখ ঃ ০১/০৬/২০২৪

<u>প্ৰতিলিপি ঃ-</u>

১। মাননীয় প্ৰধান সচিব, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ, অসম, দিছপুৰ, গুৱাহাটী-৬ ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

২। মাননীয় আয়ুক্ত ও সচিব, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ, অসম, দিছপুৰ, গুৱাহাটী-৬ ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৩। মাননীয় আয়ুক্ত, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ, জুৰিপাৰ, পাঞ্জাবাৰী, গুৱাহাটী-৩৭ ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৪। মাননীয় আয়ুক্ত, নগাঁও জিলাৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৫। জিলা তথ্য আৰু জনসংযোগ বিষয়াক অনুৰোধ কৰা হয় যে, দুখন অসমৰ বহুল প্ৰচাৰিত বাতৰি কাকতত নিবিদা জাননী প্ৰচাৰ কৰিবৰ বাবে অনুৰোধ কৰা হ'ল।

৬। DIO, NIC, জিলা আয়ুক্ত কাৰ্য্যালয়, নগাঁও, তেখেতক নিবিদা জাননী জিলা WEBSITE ত বহুল পচাৰ কৰিবৰ বাবে অনুৰোধ জনোৱা হ'ল।

৭। নগাঁও জিলা পৰিষদৰ সভাপতি মহোদয়াৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৮। নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া মহোদয়াৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৯। সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

১০। সংশ্লিষ্ট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মহোদয়ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

১১। সংশ্লিষ্ট গাঁও পঞ্চায়তৰ সচিবলৈ বহুল প্ৰচাৰাৰ্থে প্ৰেৰণ কৰা হ'ল।

১২। সংশ্লিষ্ট বজাৰ/ঘাট/মীনমহলৰ মহলদাৰ।

১৩। নোটিচ বোৰ্ড।

কাৰ্যবাহী বিষয়া
খাগৰিজান আঞ্চলিক পঞ্চায়ত
নগাঁও (অসম)



Scanned with CamScanner